# শিকনৰ ফলাফল

**পঞ্চম শ্ৰেণী** **ভাষা ঃ অসমীয়া**

## ছাত্ৰ-ছাত্ৰীয়ে ঃ

- গল্প, কাহিনী, সাধু, কবিতা আদি নিজৰ প্ৰকাশভংগীৰে ক'ব, প্ৰশ্ন কৰিব আৰু নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিব পাৰিব।
- বৈদ্যুতিন মাধ্যমত বক্তৃতা, ভাষণ, চলন্ত বিৱৰণী, বিজ্ঞাপন, কথোপকথন, বাতৰি আদি শুনিব, বুজিব আৰু বাস্তৱ জীৱনত প্ৰয়োগ কৰিব পাৰিব।
- ছবি, চাৰ্ট আদিৰ সহায়ত ঘটনাৰ ক্ৰম ৰক্ষা কৰি জনা/শুনা সাধু, গল্প, কাহিনী ক'ব পাৰিব।
- সাহিত্যৰ বিবিধ শাখাৰ লিখনি (সাধু-কথা, গল্প, জীৱনী আদি) পঢ়ি বিষয়বস্তুৰ তাৎপৰ্য বুজিব আৰু বিবিধতা অনুসৰি সাহিত্যৰ ৰস, ৰচনা ৰীতি বুজি কথিত আৰু লিখিত ৰূপত প্ৰকাশ কৰিব পাৰিব।
- ভিন ভিন লিখনিত পোৱা নতুন শব্দৰ অৰ্থ সুনিশ্চিত কৰিবলৈ অভিধান আৰু শব্দকোষ ব্যৱহাৰ কৰিব পাৰিব।
- স্বাস্থ্য-নীতি আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা সম্পৰ্কীয় লিখনি পঢ়ি বুজি এইবোৰৰ প্ৰয়োগ কৰিব পাৰিব।
- প্ৰতিষ্ঠিত কবি, সাহিত্যিক আৰু মহৎলোকৰ জীৱনী আৰু মানৱীয় প্ৰমূল্যবোধ সম্পৰ্কীয় কাহিনী, গল্প, ঘটনা শুনি বুজিব আৰু ক'ব পাৰিব।
- যিকোনো বিষয় বা উৎসৱৰ বৰ্ণনা কৰি ৰচনা, চিঠি-পত্ৰ, আৱেদন আদি লিখিত ৰূপত প্ৰকাশ কৰিব পাৰিব।
- পাঠৰ আলমত ব্যৱহাৰিক ব্যাকৰণ জানি বাস্তৱত প্ৰয়োগ কৰিব পাৰিব।
- বৈজ্ঞানিক দৃষ্টিভংগী, স্থানীয় সম্পদ সংৰক্ষণ, পৰিৱেশ সংৰক্ষণ, বৰ্ণ বৈষম্য আৰু লিংগ বৈষম্য দূৰীকৰণৰ বিষয়ে পঢ়ি প্ৰয়োজন সাপেক্ষে বাস্তৱ জীৱনত প্ৰয়োগ কৰিব পাৰিব।
- যুক্তাক্ষৰ পঢ়িব, ভাঙিব আৰু গঠন কৰিব, লগতে যুক্তাক্ষৰযুক্ত শব্দ পঢ়িব আৰু লিখিব পাৰিব।

প্ৰাথমিক শিক্ষা বিভাগ, অসম চৰকাৰ
শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়োঁ, সকলোৱে আগবাঢ়োঁ

# শিকনৰ ফলাফল

## পঞ্চম শ্ৰেণী

## পৰিৱেশ অধ্যয়ন

ছাত্ৰ-ছাত্ৰীয়ে ঃ

- পোহৰ, শব্দ, গোন্ধ আদিৰ প্ৰতি প্ৰাণীৰ প্ৰবল সংবেদনশীলতা আৰু ইয়াৰ প্ৰতিক্ৰিয়া লগতে প্ৰাণীৰ দৃষ্টিশক্তি, নিদ্ৰা, আহাৰ গ্ৰহণ কৰা আদি অস্বাভাৱিক বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰিব পাৰিব।
- বিজ্ঞান আৰু প্ৰযুক্তি ব্যৱহাৰ কৰি মানুহৰ দৈনন্দিন জীৱনৰ মৌলিক প্ৰয়োজনখিনি (যেনে- খাদ্য, পানী আদি) আহৰণ কৰাৰ প্ৰক্ৰিয়াসমূহ ব্যাখ্যা কৰিব পাৰিব।
- বাস্তৱ জীৱনত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ ভূমিকা আৰু এইবোৰৰ কাৰ্যাৱলী বৰ্ণনা কৰিব পাৰিব। (যেনে- বেংক, পঞ্চায়ত, সমবায়, আৰক্ষী চকী ইত্যাদি।)
- প্ৰাণী, উদ্ভিদ আৰু মানুহৰ পৰস্পৰ নিৰ্ভৰশীলতা ব্যাখ্যা কৰিব পাৰিব। (যেনে- প্ৰাণীৰ ওপৰত ভিত্তি কৰি কিছুমান সম্প্ৰদায়ৰ জীৱিকা নিৰ্বাহ, মানুহ আৰু প্ৰাণীৰ দ্বাৰা বীজৰ বিস্তাৰণ ইত্যাদি।)
- ভূমিখণ্ড, জলবায়ু, সম্পদ (খাদ্য, পানী), আশ্ৰয়স্থলী আদিৰ লগত মানুহৰ সাংস্কৃতিক জীৱনৰ সংযোগ স্থাপন কৰিব পাৰিব (যেনে- দূৰণিবটীয়া/অতি দুৰ্গম/অতি গৰম আৰু অতি শীতল মৰুভূমি অঞ্চল)।
- অতীত আৰু বৰ্তমানৰ কিছুমান প্ৰথা, কলা-কৌশল আৰু কাৰ্যাৱলীৰ অনুশীলনৰ পৰিবৰ্তনবোৰ- মুদ্ৰা, চিত্ৰ, কীৰ্তিচিহ্ন, যাদুঘৰ আদিৰ পৰা সংগ্ৰহ কৰা তথ্যৰে আৰু বিজ্ঞ জ্যেষ্ঠ ব্যক্তিৰ লগত মত বিনিময় কৰি নিৰ্ণয় কৰিব পাৰিব।
- কিছুমান বৈশিষ্ট্য আৰু গুণাগুণৰ (যেনে-আকৃতি, সোৱাদ, বৰণ, বিন্যাস, মাত, গঠনশৈলী চাৰিত্ৰিক বৈশিষ্ট্য) ওপৰত ভিত্তি কৰি জীৱ আৰু জড়ৰ শ্ৰেণী বিভাজন কৰিব পাৰিব।
- কিছুমান প্ৰাকৃতিক পৰিঘটনাৰ ধৰ্ম, চৰ্ত (যেনে- দূৰত্ব, পৰিসৰ, আয়তন, সময়ৰ ব্যৱধান আদি) সৰল সঁজুলিৰ দ্বাৰা জোখ-মাখ/হিচাপ-নিকাচ কৰি স্থানীয়/নিৰ্ধাৰিত এককত নিৰ্ণয় কৰিব পাৰিব।
- পৰ্যৱেক্ষণ আৰু অভিজ্ঞতাৰ পৰা পোৱা কিছুমান তথ্য প্ৰণালীবদ্ধ ভাৱে সজাই তালিকা, চিত্ৰ, দণ্ডচিত্ৰ, পাই চিত্ৰ, আদিৰ দ্বাৰা নথি তৈয়াৰ কৰিব পাৰিব, ইয়াৰ উপৰি কিছুমান পৰিঘটনাৰ ‘কাৰণ আৰু প্ৰভাৱ’ৰ মাজৰ সম্পৰ্ক অনুমান কৰিব পাৰিব। (যেনে- ওপঙি থকা আৰু ডুব যোৱা, মিশ্ৰণ, বাষ্পীভৱণ, অংকুৰণ, নষ্ট হোৱাৰ কাৰণ ইত্যাদি।)
- প্ৰতীক/চিহ্ন/সংকেত, দিশ, বিভিন্ন বস্তুৰ স্থিতি, কোনো অঞ্চলৰ গুৰুত্বপূৰ্ণ অংশ বা স্থান, ভ্ৰমণ কৰা ঠাই ইত্যাদি মানচিত্ৰত নিৰ্ধাৰণ কৰিব পাৰিব লগতে মানচিত্ৰত কোনো এটা অঞ্চলৰ বিভিন্ন ঠাই, দিশ আদি নিৰ্ণয় কৰিব পাৰিব।
- স্থানীয় আৰু পেলনীয়া সামগ্ৰী ব্যৱহাৰ কৰি ক’লাজ, আৰ্হি, নমুনা, মডেল, আল্পনা, পোষ্টাৰ, প্ৰৱাহমান চিত্ৰ, বিদ্যালয়/কাষৰীয়া অঞ্চলৰ মানচিত্ৰৰ আৰ্হি আদি তৈয়াৰ কৰিব পাৰিব।
- সমাজত ঘটি থকা কিছুমান ঘটনাৱলীৰ (যেনে- ৰাজহুৱা ঠাইত প্ৰৱেশৰ বৈষম্যতা, সম্পত্তিৰ মালিকীস্বত্ব, স্থানান্তৰীত, প্ৰব্ৰজন, বহিষ্কৃত, উচ্ছেদ, শিশুৰ অধিকাৰ) ওপৰত নিজৰ মতামত আগবঢ়াব পাৰিব।
- স্বাস্থ্য আৰু স্বাস্থ্যবিধি, বৰ্জনীয় পদাৰ্থৰ ব্যৱস্থাপনা, জৰুৰীকালিন পৰিস্থিতি, প্ৰাকৃতিক সম্পদৰ সুৰক্ষা আৰু সংৰক্ষণ (যেনে- ভূমি, ইন্ধন, অৰণ্য ইত্যাদি) বিষয়ে পৰামৰ্শ আগবঢ়াব পাৰিব।

এন চী ই আৰ টী NCERT
প্ৰাথমিক শিক্ষা বিভাগ, অসম চৰকাৰ
শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়োঁ, সকলোৱে আগবাঢ়োঁ

# Learning Outcomes

## Class V | English

### The learner:

- shares small English songs, poems, games, riddles, stories, tongue twisters.
- responds to instructions in English, on games / sports.
- replies orally / in writing to questions based on texts read / unseen passage.
- reads independently in English story books, news items / headlines, advertisements etc.
- interviews people around e.g. grandparents, teacher, librarian, gardener etc.
- uses meaningful sentences to describe, narrate and for framing questions.
- reads text with comprehension, locates details and sequence of events, connects ideas with his / her personal experiences.
- writes lists, paragraphs, etc. as dictated by teacher.
- writes short paragraphs in English from verbal, visual clues, with appropriate punctuation marks and linkers.
- writes informal letters, messages etc.
- writes stories, poems, notices and captions for posters etc.
- reads English in the surroundings (*advertisements, directions, names of places etc*) and answers queries related to them.
- writes and speaks on peace, equality etc suggesting personal views.
- expresses orally / in writing about variety in food, dress, customs and festivals as read in story books / heard in narratives / seen in videos, films etc.

NCERT

Education (Elementary) Department
Government of Assam

शिक्षा का अधिकार
सर्व शिक्षा अभियान
सब पढ़ें सब बढ़ें

# শিকনৰ ফলাফল

## পঞ্চম শ্ৰেণী      গণিত

**ছাত্ৰ-ছাত্ৰীয়ে ঃ**

- 1000 তকৈ ডাঙৰ সংখ্যা পঢ়িব আৰু লিখিব পাৰিব।
- দৈনন্দিন জীৱনত 1000 তকৈ ডাঙৰ সংখ্যাৰ (গোটত ভাগ কৰি বা ভাগ নকৰাকৈ) চাৰি প্ৰক্ৰিয়া প্ৰয়োগ কৰি সমাধান কৰিব পাৰিব।
- এটা প্ৰদত্ত ভগ্নাংশ চিনাক্ত কৰি ইয়াৰ সমতুল্য ভগ্নাংশ গঠন কৰিব পাৰিব। $\frac{1}{2}, \frac{1}{4}, \frac{1}{5}$ ভগ্নাংশবোৰক দশমিক ৰূপত প্ৰকাশ কৰিব পাৰিব আৰু দশমিক ৰূপৰ পৰা সাধাৰণ ভগ্নাংশত প্ৰকাশ কৰিব পাৰিব। উদাহৰণ স্বৰূপে, 0.5, 0.25, 0.2 ইত্যাদি।
- কোণবোৰক সমকোণ, সুক্ষ্মকোণ, স্থূলকোণ হিচাপে শ্ৰেণী বিভাজন কৰিব পাৰিব আৰু কোণবোৰ অবিকল (trace) আঁকি উপস্থাপন কৰিব পাৰিব আৰু অংকন কৰিব পাৰিব।
- সাধাৰণতে ব্যৱহাৰ হোৱা, দীঘ, ওজন আৰু আয়তনৰ ডাঙৰ আৰু সৰু একক সমূহক ডাঙৰ এককৰ পৰা সৰু একককৈ আৰু সৰু এককৰ পৰা ডাঙৰ একককৈ পৰিৱৰ্তন কৰিব পাৰিব।
- এটা পাত্ৰ বা গোটা বস্তুৰ আয়তন নিজে জনা একক বা জোখত অনুমান কৰিব পাৰিব। যেনে- এটা বাল্টিৰ আয়তন এটা মগৰ প্ৰায় 20 গুণ।
- টকা-পইচা, দৈৰ্ঘ, ভৰ, ধাৰণ ক্ষমতা আৰু সময়ৰ লগত জড়িত সমস্যাসমূহ চাৰি প্ৰক্ৰিয়া প্ৰয়োগ কৰি সমাধান কৰিব পাৰিব।
- ত্ৰিভুজীয় সংখ্যা আৰু বৰ্গ সংখ্যাৰ চানেকি চিনাক্ত কৰিব পাৰিব।
- দৈনন্দিন জীৱনৰ লগত সামঞ্জস্য থকা তথ্য সংগ্ৰহ কৰি তালিকা কৰিব পাৰিব আৰু দণ্ডলেখত প্ৰকাশ কৰি ব্যাখ্যা কৰিব পাৰিব।

NCERT

প্ৰাথমিক শিক্ষা বিভাগ, অসম চৰকাৰ

শিক্ষাৰ অধিকাৰ

সৰ্বশিক্ষা অভিযান, অসম

সকলোৱে পঢ়োঁ, সকলোৱে আগবাঢ়োঁ